NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

০০০০০০০০০

১। ডেৰন এছিমগলু, ছাইমন জনছেন আৰু জেইমছ ৰবিনছনলৈ ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত ই-মাইগ্ৰেট ৰি টু পইণ্ট জিৰো ৱেৰপোৰ্টেল তথা মোবাইল এপ মুকলি কৰে।

৩। নতুন শিক্ষানীতিয়ে শিক্ষাৰ্থীসকলৰ মাজত ভাৰাদৰ্শ সৃষ্টি তথা গোলকীয়ভাৱে দায়িত্বশীল নাগৰিক গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখিছে বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে।

৪। পঞ্চম ৰাষ্ট্ৰীয় জল বঁটা ২০২৩ সমূহ আজি নতুন দিল্লীত ঘোষণা কৰা হয়। ***আৰু***

৫। মধ্য প্ৰদেশৰ কুন ৰাষ্ট্ৰীয় উদ্যানত ৰখা আফ্ৰিকীয় চিতাবাঘকেইটা বনত মুক্ত বিচৰণৰ বাবে মুকলি কৰি দিয়া হ'ব।

০০০

ডেৰন এছিমগলু, ছাইমন জনছেন আৰু জেইমছ ৰবিনছনলৈ ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। দেশৰ সমৃদ্ধিক সাকাৰ কৰাৰ ক্ষেত্ৰত সামাজিক সংস্থাসমূহৰ ভূমিকা সন্দৰ্ভত কৰা যুগান্তকাৰী গৱেষণাৰ বাবে তেওঁলোকলৈ এই সন্মান আগবঢ়োৱা হৈছে। অৰ্থনীতিৰ পুৰস্কাৰ ঘোষণা কৰি ৰয়েল ছুইডিছ একাডেমী অফ ছাইন্সেজৰ ন'বেল সমিতিয়ে দেশৰ অৰ্থনৈতিক বিকাশ, অসমানতা হ্ৰাস আৰু আইনৰ শাসন উন্নীতকৰণৰ ক্ষেত্ৰত সামাজিক প্ৰতিষ্ঠানসমূহৰ অৱদানৰ সন্দৰ্ভত তিনিওগৰাকী অৰ্থনীতিবিদৰ গৱেষণাক প্ৰশংসা কৰে।

০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত ই-মাইগ্ৰেট ৰি টু পইণ্ট জিৰো ৱেৰপোৰ্টেল তথা মোবাইল এপ মুকলি কৰে। এই পোৰ্টেলটোৰ জৰিয়তে ভাৰতীয় প্ৰব্ৰজনকাৰীসকলৰ বাবে নিৰাপদ আৰু বৈধভাৱে আহ-যাহৰ সুচলতাৰ ব্যৱস্থা কৰা হ'ব। অনুষ্ঠানত ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে, এই পোৰ্টেলটো মুকলি হোৱাৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলৰ নিৰাপদ, স্বচ্ছ তথা সৰ্বাত্মক আহ-যাহৰ সুবিধা সৃষ্টি কৰাৰ প্ৰতি চৰকাৰৰ প্ৰচেষ্টা প্ৰতিফলিত হৈছে। তেওঁ লগতে কয় যে পোৰ্টেলটো পুনৰ সজ্জিত কৰাৰ জৰিয়তে বিদেশত ভাৰতীয় কৰ্মচাৰীসকলৰ মৰ্যদা তথা অধিকাৰ সুৰক্ষা কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। মন্ত্ৰীগৰাকীয়ে সদৰি কৰা অনুসৰি জনসাধাৰণৰ সুশৃংখল, নিৰাপদ আৰু নিয়মিত তথা দায়িত্বপূৰ্ণ প্ৰব্ৰজন তথা আহ-যাহৰ সুচলতা সংবৰ্ধন কৰা বহনক্ষম উন্নয়নৰ লক্ষ্যৰ ২০৩০ ৰ কাৰ্যসূচীৰ ১০ টা উদ্দেশ্যৰ সৈতে সংগতি ৰাখি

এই পোৰ্টেলটো মুকলি কৰা হৈছে। কোনো বিশেষ ক্ষেত্ৰত দক্ষতা থকা কৰ্মচাৰীসকলৰ বিশ্বজুৰি প্ৰয়োজন আছে। তেওঁ লগতে কয় যে, বিশ্বৰ বিভিন্ন প্ৰান্তত কৰ্ম দক্ষ তথা সুপ্ৰশিক্ষিত কৰ্মচাৰীৰ প্ৰয়োজন সদায় বৃদ্ধি হৈ থাকিব। ২০১৫ চনৰ পৰা ভাৰতে প্ৰব্ৰজন তথা আহ-যাহৰ ক্ষেত্ৰত বিভিন্ন দেশৰ সৈতে কৰি থকা বুজাবুজি সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, বিদেশত বসবাস কৰা তথা শিক্ষাগ্ৰহণৰ উদ্দেশ্যে বিদেশ ভ্ৰমণ কৰা লোকসকলৰ সূচলতা সুনিশ্চিত কৰা তথা তেওঁলোকৰ কল্যাণ সাধন কৰা হৈছে চৰকাৰৰ বৈদেশিক নীতিৰ অন্যতম প্ৰধান লক্ষ্য। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বিগত কেইটামান বছৰত প্ৰায় দুগুণ লোকক পাৰপত্ৰ প্ৰদান কৰা হৈছে। তেওঁ লগতে কয় যে, মন্ত্ৰালয়ে ই মাইগ্ৰেট পোৰ্টেলৰ সূচলতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰযুক্তি ত্বৰান্বিত কৰিছে। এই পোৰ্টেলটোৰ জৰিয়তে প্ৰব্ৰজনকাৰীসকলে সামাজিক নিৰাপত্তা লাভ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে।

ooo

নতুন শিক্ষানীতিয়ে শিক্ষাৰ্থীসকলৰ মাজত ভাৰাদৰ্শ সৃষ্টি তথা গোলকীয়ভাৱে দায়িত্বশীল নাগৰিক গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখিছে বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি  ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ কৌশলগত মিত্ৰতা মঞ্চই আয়োজন কৰা ভাৰত নেতৃত্ব শীৰ্ষ সন্মিলন ২০২৪ ত তেওঁ ভাষণ প্ৰসংগত এইকথা প্ৰকাশ কৰে। দেশত নতুন শিক্ষানীতি ৰূপায়ণৰ পঞ্চম বৰ্ষৰ বিষয়ে  উল্লেখ কৰি তেওঁ এই দিশটোক প্ৰশংসা কৰে। চৰকাৰে বিশ্ববিদ্যালয়সমূহক ভাৰতত শাখা মুকলি কৰিবলৈ আমন্ত্ৰণ জনোৱা বুলিও তেওঁ সদৰি কৰে। শিক্ষাৰ্থীসকলক গোলকীয় মান সম্পন্ন শিক্ষা প্ৰদান কৰাৰ গুৰুত্ব সন্দৰ্ভত তেওঁ আলোকপাত কৰে। শ্ৰীপ্ৰধানে কয় যে মন্ত্ৰালয়ে দক্ষতাক অগ্ৰাধিকাৰ দিয়াৰ লগতে প্ৰযুক্তিৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ প্ৰগতি ত্বৰান্বিত কৰাৰ পোষকতা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিগ্ৰী তথা প্ৰমাণপত্ৰতকৈ কৰ্মদক্ষতাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ দিশটো সন্দৰ্ভতো আলোকপাত কৰে।

ooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশজুৰি ইথানল জৈৱ ইন্ধনৰ ৪০০ টা পাম স্থাপন কৰা হৈছে বুলি আজি প্ৰকাশ কৰিছে। নতুন দিল্লীত ভাৰতীয় উদ্যোগ সংঘই আয়োজন কৰা জৈৱ শক্তি শীৰ্ষ সন্মিলন ২০২৪ ত অংশগ্ৰহণ কৰি তেওঁ এই কথা প্ৰকাশ কৰে। সন্মিলনত সমবেত লোকসকলক সম্বোধন কৰি তেওঁ কয় যে, চৰকাৰে ৩টা পৃথক মটৰগাড়ীৰ সংস্থাৰ জৰিয়তে ফ্লেক্স ইঞ্জিন বাহন মুকলি কৰাৰ পৰিকল্পনা কৰিছে। মন্ত্ৰীগৰাকীয়ে আৱৰ্জনাক চি এন জি, ইথানল, মিথেন তথা অন্যান্য জৈৱ ইন্ধনসমূহলৈ ৰূপান্তৰ কৰাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। দেশত জৈৱ ইন্ধন অৰ্থনৈতিকভাৱে বহনক্ষম বুলি তেওঁ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে দেশৰ ইথানত মিশ্ৰন পদক্ষেপৰ সফলতা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে ২০১৪ চনত এই মিশ্ৰনৰ অনুপাত ১ দশমিক ৫-৩ শতাংশ হোৱাৰ বিপৰীতে চলিত বছৰত এই অনুপাত ১৫ শতাংশলৈ বৃদ্ধি হৈছে। চৰকাৰে ২০২৫ চনৰ  ভিতৰত এই মিশ্ৰনৰ অনুপাত ২০ শতাংশলৈ উন্নীত কৰাৰ লক্ষ্য লোৱা বুলিও তেওঁ সদৰি কৰে। ইথানল কাৰ্যসূচীয়ে বৈদেশিক বিনিময়ৰ সঞ্চয় ১ লাখ ছহেজাৰ ৭০ কোটি টকাতকৈও অধিক স্পৰ্শ কৰা বুলি তেওঁ প্ৰকাশ কৰে। এই পদক্ষেপৰ জৰিয়তে কাৰ্বন নিৰ্গমনৰ পৰিমাণ ৫শ ৪৪ লাখ মেট্ৰিকটনলৈ হ্ৰাস হোৱাৰ লগতে ইন্ধনৰ বিকল্প প্ৰায় ১৮০ লাখ মেট্ৰিকটনৰ কাষ চপা বুলি তেওঁ প্ৰকাশ কৰে।

ooo

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

০০০

পঞ্চম ৰাষ্ট্ৰীয় জল বঁটা ২০২৩ সমূহ আজি নতুন দিল্লীত ঘোষণা কৰা হয়। উৎকৃষ্ট ৰাজ্যৰ শিতানত ওড়িশাই শ্ৰেষ্ঠ বঁটা লাভ কৰাৰ বিপৰীতে উত্তৰ প্ৰদেশে দ্বিতীয় স্থান লাভ কৰে। আনহাতে, পুডুচেৰী আৰু গুজৰাটে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত অহা ২২ অক্টোবৰত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব। ৯ টা শিতানত যুটীয়া বিজেতাসকলকে ধৰি মুঠ ৩৮ টা বঁটা আগবঢ়োৱা হ'ব। প্ৰতিগৰাকী বিজেতাই নিৰ্দিষ্ট শিতানত নগদ ধনৰ উপৰি বঁটা তথা প্ৰশস্তিপত্ৰ লাভ কৰিব। এখন সংবাদমেলত জলশক্তি মন্ত্ৰী চি আৰ পাটিলে বিজেতাসকলক প্ৰশংসা কৰি কয় যে, তেওঁলোকে জল ব্যৱস্থাপনাৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে অনুকৰণীয় ভূমিকা ৰূপায়ণ কৰিছে। তেওঁ লগতে জলশক্তি মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত জল সংৰক্ষণৰ সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ব্যাপক অভিযান চলোৱা বুলিও প্ৰকাশ কৰে।

০০০

মধ্য প্ৰদেশৰ কুন' ৰাষ্ট্ৰীয় উদ্যানত ৰখা আফ্ৰিকীয় চিতাবাঘকেইটা বনত মুক্ত বিচৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। পৰিবেশ মন্ত্ৰালয়ৰ বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগে প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰৰ চিতা প্ৰকল্প পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি পোৱালীসহ চিতাবাঘকেইটা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পৰ্যায়ক্ৰমে বাঘকেইটা মুকলি কৰি দিয়া হ'ব। সদ্যহতে ৰাষ্ট্ৰীয় উদ্যানখনত ১২ টা পোৱালীসহ ২৪ টা চিতাবাঘ আছে। চৰকাৰে দেশলৈ অধিক চিতাবাঘ লৈ অহা সন্দৰ্ভত বিভিন্ন দেশৰ সৈতে আলোচনা অব্যাহত ৰাখিছে।

ইপিনে, পৰিবেশ, বন তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ য়াদৱে নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দেশজুৰি মাতৃৰ নামত এজোপা গছ পদক্ষেপৰ অধীনত প্ৰায় ৯৩ কোটি গছপুলি ৰোপণ কৰা হৈছে বুলি সদৰি কৰিছে। এই পদক্ষেপক সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা বিষয়া, সমাজকৰ্মী তথা জনসাধাৰণক তেওঁ প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, বিশ্বই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ভিতৰত জলবায়ু পৰিৱৰ্তন, জৈৱ বৈচিত্ৰৰ হানি তথা ভূমিৰ উৰ্বৰতা হ্ৰাস হৈছে অন্যতম। মন্ত্ৰীগৰাকীয়ে বহনক্ষম পৰিবেশ গঢ়ি তোলাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি সদৰি কৰে। নৱীকৰণযোগ্য শক্তি, কাৰ্বন নিৰ্গমন হ্ৰাস তথা প্লাষ্টিকৰ ব্যৱহাৰ নিষিদ্ধ কৰাকে ধৰি বিভিন্ন পদক্ষেপৰ জৰিয়তে এখন সেউজীয়া পৃথিৱী গঢ়ি তোলাৰ বাবে চৰকাৰে নিয়মিতভাৱে কাম কৰি আছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **গ্ৰাহক অধিকাৰ আৰু দায়িত্ব** সন্দৰ্ভত গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব নিধি খাড়েৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১

২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০

ঃঃ সমাপ্ত ঃঃ